# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২৩/২০২২**

## সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থী আৰু জলসিঞ্চন বিভাগৰ কনিষ্ঠ অভিযন্তাক নিযুক্তিপত্ৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

### নৱ নিযুক্তিপ্ৰাপ্ত বিষয়াসকলক নতুন অসম গঢ়াত অৰিহণা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৯ অক্টোবৰ ঃ** নিকা আৰু স্বচ্ছভাৱে ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকলক চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা (চি চি ই) ২০২০ ৰ নিৰ্বাচিত পৰীক্ষাৰ্থী আৰু জলসিঞ্চন বিভাগৰ কনিষ্ঠ অভিযন্তাসকলক শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত নিযুক্তিপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে আজি নিযুক্তিপত্ৰ বিতৰণ কৰা ৬৫৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ ৩৩১ গৰাকী আৰু আনসকল জলসিঞ্চন বিভাগৰ কনিষ্ঠ অভিযন্তা।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে বিভিন্ন চৰকাৰী চাকৰিৰ বাবে নিকা আৰু স্বচ্ছতাৰে ৰাজ্যৰ মেধাৱী প্ৰাৰ্থীসকলক বাছনি কৰাৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল সেই প্ৰতিশ্ৰুতিক বাস্তৱায়িত কৰিছে। মুখ্যমন্ত্ৰীয়ে এই প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা ৬৫৫ গৰাকী প্ৰাৰ্থীক অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে স্বচ্ছতাৰে নিয়োগ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে অসম লোকসেৱা আয়োগকো ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কাৰিকৰী বিভাগৰ অভিযন্তা বাছনি কৰিবলৈ অসম লোকসেৱা আয়োগক সংযুক্ত অভিযান্ত্ৰিক প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। এই পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলক নিৰ্বাচিত কৰি লটাৰীযোগে বিভিন্ন বিভাগত নিযুক্তি প্ৰদানৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে বিভাগসমূহৰ প্ৰয়োজনীয়তাৰ ভিত্তিত আন্তঃবিভাগীয় বদলিকৰণৰ বাবে এক বিকল্প উপায় উদ্ভাৱন কৰিবলৈও আহ্বান জনায়।

নতুনকৈ নিযুক্তিপ্ৰাপ্ত অসম অসামৰিক সেৱা আৰু সংলগ্ন সেৱা, অভিযন্তাসকলক ৰাজ্যৰ দুখীয়া আৰু সৰ্বসাধাৰণৰ সেৱাত নিজৰ পেছাদাৰী জীৱন উৎসৰ্গা কৰিবলৈ আহ্বান জনায়। ৰাজ্যৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ লগতে বিভিন্ন বিভাগত প্ৰশাসনক প্ৰতিনিধিত্ব কৰিবলৈ নিজৰ দক্ষতা অধিক বিকশাই তোলাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে এখন নতুন অসম গঢ়াৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। সেইবাবে নৱনিযুক্ত বিষয়াসকলে নতুন অসম নিৰ্মাণৰ প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিবলৈ নিষ্ঠাৰে সহযোগ আগবঢ়োৱাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ নতুন বিষয়াসকলক পৰিৱৰ্তনৰ এক বাহক হিচাপে কাম কৰি ৰাজ্য চৰকাৰৰ আৰ্থ-সাংস্কৃতিক আৰু অৰ্থনৈতিক সবলীকৰণৰ দিশত সহায়

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আগবঢ়াবলৈ কয়।

দেশত ডিজেটাইজেশ্যন, প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত উন্নয়নৰ নতুন ধাৰাটোৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে নতুন বিষয়াসকলক জনসাধাৰণক সৰ্বোত্তম সেৱা প্ৰদানৰ বাবে ডিজিটেলাইজেশ্যন আৰু অন্যান্য প্ৰযুক্তিগত বিষয়সমূহ আহৰণ কৰিবলৈও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে জনসাধাৰণক উন্নত সেৱা প্ৰদানৰ বাবে প্ৰশাসনিক ব্যৱস্থাটোত ডিজিটেলাইজেশ্যনত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয় যে যোৱা দুটা দশক অন্ধকাৰৰ দশক আছিল বুলি উল্লেখ কৰি অসম অসামৰিক সেৱাত স্বচ্ছতাৰে প্ৰাৰ্থী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত বিভিন্ন বিতৰ্কৰ সূচনা হৈছিল। ইয়াৰ ফলত প্ৰশাসনৰ ওপৰত আস্থা হ্ৰাস পাইছিল আৰু ইয়ে উন্নয়নৰ প্ৰক্ৰিয়াটো ক্ষতিগ্ৰস্ত কৰিছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ অধীনত অসম অসামৰিক সেৱাৰ নিয়োগ পৰীক্ষা অনুষ্ঠিত কৰাৰ প্ৰক্ৰিয়াসমূহ নতুন ৰূপত গঢ়ি তোলা হৈছে। ফলত চৰকাৰী চাকৰিৰ বাবে প্ৰতিযোগিতামুখী প্ৰাৰ্থীসকলক স্বচ্ছভাৱে বাছনি কৰাটো সম্ভৱ হৈ উঠিছে। ইয়ে ৰাজ্যখনৰ বিকাশত যথেষ্ট অৰিহণা যোগাব বুলি আশা কৰা হৈছে। দুখীয়া আৰু আৰ্তজনক সহায় কৰাৰ মানসিকতাৰে তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণৰ উদ্দেশ্যে সেইসকল জনসাধাৰণৰ ওচৰ চাপি কাম কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোচা, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱ চৌধুৰী, ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**২৯/১০/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in